# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

**Date :** 05-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা সমজিলা ব্যৱস্থাৰ সূচনা কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ৰ আজি দ্বিতীয় দিনা ১৮ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হয়। আজি জালুকবাৰী, নতুন গুৱাহাটী, দিছপুৰ, ডিমৰীয়া, অভয়াপুৰী, ৰহা, লামডিং, লাহৰিঘাট, জাগীৰোড, ঢেকীয়াজুলী, ডুমডুমা, নাহৰকটীয়া, দুলিয়াজান, তিখং, নাজিৰা, ডিমৌ, মাহমৰা আৰু লক্ষিপুৰত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হয়। জালুকবাৰী, নিউ-গুৱাহাটী সমজিলাখন আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ বিপৰীতে কামৰূপ মহানগৰ জিলাত গঠন হ'বলগীয়া আন দুখন সমজিলা দিছপুৰ আৰু ডিমৰীয়া মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অতুল বৰাই উদ্বোধন কৰে। আনহাতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাখন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে, নগাঁও জিলাৰ ৰহা সমজিলাখন মন্ত্ৰী অজন্তা নেওগে, লামডিং সমজিলা মন্ত্ৰী নন্দিতা গাৰ্লোচা, মৰিগাঁও-লাহৰিঘাট সমজিলা মন্ত্ৰী কেশৱ মহন্তই, জাগীৰোড সমজিলা মন্ত্ৰী পীযুষ হাজৰিকাই উদ্বোধন কৰে। একেদৰে ঢেকীয়াজুলী সমজিলাখন মন্ত্ৰী অশোক সিংহলে, ডুমডুমা সমজিলাখন সঞ্জয় কিষানে, নাহৰকটীয়া, মাহমৰা সমজিলা যোগেন মহনে, দুলীয়াজান, তিখং, নাজিৰা সমজিলা মন্ত্ৰী বিমল বৰাই, নাজিৰা সমজিলা মন্ত্ৰী ৰণোজ পেগুৱে আৰু লক্ষীপুৰ সমজিলাখন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰে। এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে বুলি ইতিমধ্যে সামাজিক মাধ্যমযোগে অৱগত কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অধীনস্থ গুৱাহাটীৰ হোমিঅ'পেথিক আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে আজি দিশপুৰ প্ৰেছ ক্লাবত আয়ুষ মন্ত্ৰালয়ৰ এশ দিনৰ কৃতিত্ব শীৰ্ষক এখন সংবাদ মেলৰ আয়োজন কৰে। জনস্বাস্থ্য উন্নয়নৰ লক্ষ্যৰে গুৱাহাটী আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে ইতিমধ্যে কেইবাটাও চিকিৎসা পৰীক্ষা সংক্ৰান্তীয় প্ৰকল্প আৰম্ভ কৰিছে বুলি সংস্থাটোৰ বিষয়ববীয়াই সংবাদমেলখনত জানিবলৈ দিয়ে। এইসমূহৰ ভিতৰত নাকৰ এলাৰ্জীজনিত ৰোগ, ক্ৰনিক আৰটিকেৰিয়া, হাইপ'থাইৰয়ডিজম, অৰ্শজনিত অধ্যয়ন, চাহ বাগিছাৰ শ্ৰমিকৰ স্বাস্থ্যৰ উন্নতি বিষয়ক প্ৰকল্প উল্লেখযোগ্য। ইয়াৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে কেন্দ্ৰীয় হোমিঅ'পপেথিক গৱেষণা প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ প্ৰকল্প ড্ৰাগ প্ৰুভিং আৰু ক্লিনিকেল ভেৰিফিকেশ্বন কাৰ্যসূচীও চলাই আহিছে। ইয়াৰ লগতে প্ৰতিষ্ঠানটোৱে যক্ষ্মা ৰোগৰ পৰীক্ষণ আৰু চিকিৎসা প্ৰদানৰ কেন্দ্ৰ এটাও স্থাপন কৰিছে। প্ৰতিষ্ঠানটোৱে মাতৃ আৰু শিশু ৰোগৰ বহিঃবিভাগ আৰু সাধাৰণ বহিঃবিভাগৰ সুবিধাসমূহো সকলো কৰ্মদিনত প্ৰদান কৰি আহিছে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীসকলৰ কাৰণে চৰকাৰী সুলভ হাৰত ঔষধ আৰু বিনামুলীয়া পৰামৰ্শ প্ৰদানৰ লগতে প্ৰতিষ্ঠানটোৱে জ্যেষ্ঠ নাগৰিকসকলক পঞ্জীয়নত ৫০ শতাংশ ৰেহাই দিয়ে। আজিৰ সংবাদমেলত প্ৰতিষ্ঠানটোৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত উদ্বোধন কৰা ছাফাই মিত্ৰ স্বাস্থ্য শিবিৰ আৰু পোষণ মাহৰ কাৰ্যসূচী বিষয়েও উল্লেখ কৰা হয়। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ্তিৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে ব্ৰিটেইনৰ ৰয়েল লণ্ডন হস্পিতালৰ সৈতে সহযোগিতা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজি আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৪০ লাখতকৈও অধিকসংখ্যক কৃষক প্ৰত্যক্ষ বিত্তীয় সুযোগৰ জৰিয়তে উপকৃত হ'ব। এই আঁচনিৰ অধীনত ২০ হাজাৰ কোটি টকাতকৈও অধিক ধন মুকলি কৰা হৈছে। অসমৰ ১৮ লাখ ৮০ হাজাৰ কৃষকেও এই আঁচনিৰ জৰিয়তে ধন লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে এই কৃষকসকলৰ একাউণ্টত ৪০৩ কোটি টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। এই নিধিৰ জৰিয়তে কৃষকসকলে কঠোৰ পৰিশ্ৰমৰ মূল্য লাভ কৰাৰ উপৰি তেওঁলোকৰ আত্মবিশ্বাসৰ ভাবো জাগ্ৰত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ৰাজ্যৰ বিভিন্ন জিলাত আজি প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰ, কলিয়াপানী উন্নয়ন খণ্ডৰ লগতে বিভিন্ন স্থানত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। উল্লেখযোগ্য যে এই আঁচনিৰ অষ্টাদশ কিস্তিত যোৰহাট জিলাৰ ৫৪ হাজাৰ ৯৬ গৰাকী কৃষকে হিতাধিকাৰী হিচাপে বাছনি লাভ কৰিছে। তেওঁলোকক ১৪ কোটি ৫৪ লাখৰো অধিক ধন প্ৰদান কৰা হ'ব। দৰং জিলাতো আজি এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ ৯৩ হাজাৰ ৭৮৬ গৰাকী যোগ্য হিতাধিকাৰীয়ে নিজৰ নিজৰ একাউণ্টত এই আঁচনিৰ কিস্তিৰ ধন লাভ কৰিব। এই উপলক্ষে আজি জিলা কৃষি বিভাগৰ উদ্যোগত বিভিন্ন স্থানত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানসমূহত তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

সমাগত শাৰদীয় দুৰ্গা পূজা উপলক্ষে আজি যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে মূৰ্তি বিসৰ্জনৰ প্ৰস্তুতি পৰিদৰ্শন কৰি পুজাডুবি আৰু বালিগাওঁ ঘাটত উপস্থিত থাকে। বিসৰ্জনৰ লগতে শাৰদীয় উৎসৱৰ আটাইকেইদিনৰ কাৰ্যসূচী সুকলমে সমাপনৰ বাবে জিলা প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে। জিলা প্ৰশাসনে জিলাখনত সকলো পূজা সমিতিক প্ৰতিৰোধমূলক আৰু সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

**সমাপ্ত**